জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

Portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তিতম বছৰ, সংখ্যা ১৪৭ ● বৃহস্পতিবাৰ ● ২২ মাঘ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday February 5, 2026 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰ...

...ম উচ্চতৰ
...য় প্ৰাংগণত
...পৰীক্ষা কেন্দ্ৰত
...২০২৬ বৰ্ষৰ
...পৰীক্ষা সুকলমে
...সন্দৰ্ভত
...ৰ্ষকসকলৰ মাজত
...ৰ্যসূচী অনুষ্ঠিত
...নিয়োজিত
...দায়িত্ব আৰু
...কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত
...া জিলদৈ শ্যাম
...ক বিদ্যালয়ৰ
...ন্দৈকৈয়ে বক্তব্য
...াহোলা হাইস্কুলৰ
...াগেশ্বৰ গগৈ আৰু
...হাইস্কুলৰ প্ৰধান
...্যাম গোহাঁই আৰু
...স্কুলৰ সহকাৰী
...ৰ্মায়ো ভাষণ
...ন্দ্ৰটোৰ বিভিন্ন
...নিয়োজিত হৈ থকা
...অভিজিৎ
...ৰ্ষকসকলে
...ন কৰিবলগীয়া
...ত্ব আৰু কৰ্তব্যৰ
...ৰে অৱগত কৰে।
...কেন্দ্ৰটোৰ অন্তৰ্গত
...ৰ মুঠ ৭৩৪গৰাকী
...হবাৰ অংচা-জিলদৈ
...ধ্যমিক বিদ্যালয়ৰ
...হাইস্কুল শিক্ষান্ত
...ৰ্ণ হ'ব আৰু ইয়াৰে
...আৰু ৪১৯গৰাকী
...প পৰীক্ষা অনুষ্ঠিত
...ন্দ্ৰটোত ৭১গৰাকী

# সদৌ মাজুলী জিলা কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত চিলাৰায় দিৱস উদ্‌যাপন

## ■ ললিত দত্তক মৰণোত্তৰভাৱে ২০২৬ বৰ্ষৰ 'বিশ্বমহাবীৰ চিলাৰায় বঁটা' প্ৰদান

## ■ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক 'মাজুলী বন্ধু' উপাধিৰে সন্মান প্ৰদান



মাজুলী ঃ নিজা প্ৰতিবেদক, ৪ ফেব্ৰুৱাৰী ঃ সদৌ মাজুলী জিলা কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত যোৱা ১ ফেব্ৰুৱাৰীত ৫১৬সংখ্যক বীৰ চিলাৰায় দিৱস দিনজোৱা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। মাজুলীৰ গড়মূৰস্থিত চিলাৰায় ভৱনত পুৱা পতাকা উত্তোলন কৰে সদৌ মাজুলী কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি আদিত্য দত্তই। ইয়াৰ পাছতে সংগঠনটোৰ উপদেষ্টা দেৱজিৎ বৰুৱা, সম্পাদক ক্ষীৰোদ বৰাকে ধৰি অনুষ্ঠানত উপস্থিত থকা বহুকেইজন বিশিষ্ট ব্যক্তিয়ে চিলাৰায়ৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। অনুষ্ঠানত গোপালপুৰ গাঁও মহিলা সমাজ আৰু কমলপুৰ গাঁও মহিলা সমাজে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই দিহানাম পৰিৱেশন কৰাৰ পাছতে কণমানি প্ৰিয়া দত্তই জনগোষ্ঠীয় নৃত্য পৰিৱেশন কৰে। শিল্পী দেৱজিৎ বৰাৰ মূকাভিনয়ৰ পাছতে মূল অনুষ্ঠান অনুষ্ঠিত হয়। সদৌ মাজুলী জিলা কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি আদিত্য দত্তৰ সঞ্চালনাত অনুষ্ঠিত 'আশিস অনুষ্ঠান' উদ্বোধন কৰে মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাই। অনুষ্ঠানতে ২০২৫ বৰ্ষত পোনপ্ৰথমবাৰৰ বাবে সদৌ মাজুলী জিলা কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাই প্ৰৱৰ্তন কৰা বিশ্বমহাবীৰ চিলাৰায় বঁটা মাজুলীৰ কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ ধ্বজাবাহক, কোঁচ-ৰাজবংশী সন্মিলনীৰ প্ৰতিষ্ঠাপক সভাপতি ললিত দত্তক মৰণোত্তৰভাৱে প্ৰদান কৰে। তেওঁৰ পৰিয়ালৰ লোক উপস্থিত থাকি উক্ত বঁটা গ্ৰহণ কৰে। উল্লেখযোগ্য যে ৪০ দশকৰ উচ্চ শিক্ষাৰে শিক্ষিত প্ৰয়াত দত্ত মেৰাগড় নাৰায়ণদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে কৰ্মৰত থাকি বিভিন্ন সামাজিক, সাংস্কৃতিকভাৱে জাতীয় জীৱনলৈ বৰঙনি আগবঢ়োৱাৰ উপৰি নিজৰ জাতি সত্তাক অগ্ৰাধিকাৰ দি ৮০ দশকত কোঁচ-ৰাজবংশী সন্মিলনী গঠন কৰি প্ৰতিষ্ঠাপক সভাপতি হিচাপে জনগোষ্ঠীটোৰ উত্তৰণত উল্লেখযোগ্য বৰঙনি আগবঢ়াই গৈছে। সেয়ে তেওঁৰ কৰ্মৰাজিৰ স্বীকৃতিস্বৰূপে মাজুলীৰ আত্ৰাছুৱে তেওঁৰ লগতে পৰিয়ালবৰ্গলৈ এই সন্মান প্ৰদান কৰে। ইফালে উক্ত অনুষ্ঠানত কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ জ্যেষ্ঠ ব্যক্তি তথা জাতীয় জীৱনলৈ বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়োৱা ৮০জন বিশিষ্ট ব্যক্তিক বিশেষভাৱে সম্বৰ্ধনা জনায়। ৰাজীৱ কমল শইকীয়া আৰু দেৱজিৎ বৰুৱাই আঁত ধৰা অনুষ্ঠানতে বিশিষ্ট সাহিত্যিক তথা বুদ্ধিজীৱী, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক 'মাজুলী বন্ধু' উপাধিৰে সন্মানিত কৰা হয়। লগতে ডিব্ৰুগড়ৰ বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈক বিশেষভাৱে সম্বৰ্ধনা জনায়। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী বাচাৰাম বৰুৱা, চন্দ্ৰ কমল শইকীয়া, মধ্য মাজুলী জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অমূল্য বৰা, প্ৰাক্তন শিক্ষক জীৱন বৰা, নিত্যানন্দ দত্ত, অৱসৰপ্ৰাপ্ত ৰাজপত্ৰিত বিষয়া জীৱেশ্বৰী বৰা প্ৰমুখ্যে মাজুলীৰ বিভিন্ন ক্ষেত্ৰৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি তথা ৰাইজ উপস্থিত থাকে।